**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 22-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

***---------------------------***

***Headlines***

১। কোকৰাঝাৰৰ কাৰিগাঁৱৰ পৰিস্থিতি সুস্থিৰ। আশ্ৰয় শিবিৰত থকা লোকসকলক ঘৰলৈ ঘূৰি যাবলৈ আৰক্ষী-প্ৰশাসনৰ আহ্বান।

২। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি।

৩। জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰেপৰা ঐতিহাসিক জোনবিল মেলা।

আৰু

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত সিদ্ধিদাতা গণেশৰ পূজা-অৰ্চনা।

০০০০০০০

———কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ সুস্থিৰ হৈছে। বি টিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধিৰ দলে আজি জিলাখনৰ আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি শিবিৰত থকা লোকসকলৰ অৱস্থাৰ বুজ লয়। দলটোত বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বি টি চিৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আছিল। জিলাখনত সেনা বাহিনীৰ কটকটীয়া বেষ্টনীৰ মাজত কাৰিগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচল অব্যাহত আছে। কালি আশ্ৰয়শিবিৰসমূহ পৰিদৰ্শন কৰি অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক অখিলেশ সিঙে শিবিৰত থকা লোকসকলক কোনো সংশয় অবিহনে নিজ বাসগৃহলৈ উভতি যাবলৈ আহ্বান জনায়। তেওঁ পৰিস্থিতি স্বাভাৱিক হোৱা বুলি দাবী কৰি জিলাখনত পৰ্যাপ্ত নিৰাপত্তা বাহিনী সন্থম হৈ থকা বুলিও ৰাইজক আশ্বস্ত কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰী সিঙে কয়, যে এই ঘটনা সন্দৰ্ভত ১৯ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০ জানুৱাৰীৰ বিক্ষিপ্ত ঘটনাত জড়িত তিনিজনক আটক কৰা হৈছে। উল্লেখযোগ্য যে জিলাখনত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰি অহা নাই। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হৈ কোকৰাঝাৰৰ ঘটনাত আহত লোকসকলৰ স্বাস্থ্য আৰু চিকিৎসা ব্যৱস্থাৰ বুজ লয়। তেওঁলোকক বিনামূলীয়াকৈ সকলো চিকিৎসা প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি গ্ৰহণ কৰা হ'ব। জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বত ৰাজ্য চৰকাৰে গঠন কৰা পাঁচজনীয়া বিশেষ লোক অধিবক্তাৰ দলে আজি এই অভিযুক্তসকলৰ জামিনৰ বিৰোধিতাৰে আদালতত লিখিত আবেদন দাখিল কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সম্পৰ্কীয় গোচৰত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে ৭ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। বৰ্তমান বাক্সা জিলা কাৰাগাৰ আৰু হাফলং উপ-কাৰাগাৰত থকা এই অভিযুক্তকেইজনৰ ভিতৰত শ্যামকানু মহন্ত, সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই আদালতত জামিন আবেদন দাখিল কৰিছে। এই আবেদনসমূহৰ আজি শুনানি গ্ৰহণ কৰা হ'ব। আন দুজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে এই পৰ্যন্ত জামিন আবেদন দাখিল কৰা নাই।

০০০০০০০

———জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ২৪ জানুৱাৰীলৈ  তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। আজি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে এই মেলা আৰম্ভ হয়। আজি পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। কাইলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০০০

দেউৰী জনগোষ্ঠীৰ লোকসকলে আজি মাঘ বিচু অৰ্থাৎ মাঘ বিহু পালন কৰিছে। জনগোষ্ঠীটোৰ বসতিপ্ৰধান ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰ পূব চিৰাম দেউৰী, পশ্চিম চিৰাম দেউৰী আৰু মাজৰ দেউৰী গাঁৱৰ লোকসকলে উলহ-মালহেৰে বিহু পালন কৰিছে। পূব চিৰাম গাঁৱৰ দেউৰী ৰাইজে সমজুৱাকৈ আয়োজন কৰা ভোগালী বিহুস্থলীত কালি উৰুকাৰ নিশা ভোজ-ভাত খাই আজি পুৱতি নিশা পৰম্পৰা ৰক্ষা কৰি মেজিত অগ্নি সংযোগ কৰা হয়। গাঁৱৰ ৰাইজে সমূহীয়াকৈ অগ্নি সেৱা কৰি আশীৰ্বাদ লয়। জনগোষ্ঠীটোৰ এগৰাকী জ্যেষ্ঠ লোকে এই বিহু পালন সন্দৰ্ভত এইদৰে কয় –

বাইট

০০০০০০০

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত অহা ৩০ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। উদযাপন সমিতিয়ে আজি এই সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰি কয়, যে প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন এইবাৰ বাতিল কৰা হৈছে। ইয়াৰ

পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰে।

oooooooo

শ্ৰীভূমি জিলাৰ আয়ুক্তই ১৯৫০ চনৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব আইন, ১৯৬০ চনৰ ভোটদাতা পঞ্জীয়ন নিয়মাৱলী আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ভোটদাতা তালিকা সম্পৰ্কীয় সকলো বিষয় নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে বুলি স্পষ্ট কৰি দিছে। সত্যাসত্য নিৰূপণ আৰু সংশ্লিষ্ট প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাকৈ কোনো ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা আঁতৰোৱা হোৱা নাই বা সালসলনিও কৰা হোৱা নাই। জিলা আয়ুক্তই লগতে দাবী আৰু ওজৰ-আপত্তিৰ সত্যাসত্য নিৰূপণ আৰু সেই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰাটো বুথ পৰ্যায়ৰ বিষয়াসকলৰ মূল দায়িত্ব আৰু বুথ পৰ্যায়ৰ বিষয়াসকলক বৰ্তমানৰ আইন আৰু নিয়ম অনুসৰি তথ্য পৰীক্ষাৰ বাবে নিৰ্দেশ দিয়া হৈছে। দাবী আৰু ওজৰ আপত্তিৰ তালিকা প্ৰতি সপ্তাহে ৰাজনৈতিক দলসমূহৰ সৈতে ভগাই লোৱা হৈছে বুলি উল্লেখ কৰি জিলা প্ৰশাসনে কয়, যে যাৱতীয় প্ৰক্ৰিয়া অনুযায়ীহে ভোটাৰ তালিকাৰ সংশোধন কৰিব পৰা যায় আৰু এইক্ষেত্ৰত ক্ষেত্ৰ বিষয়াসকলে বিষয়টো পৰীক্ষা কৰাটো জৰুৰী। প্ৰশাসন জিলাখনত স্বচ্ছ, নিকা আৰু নিৰপেক্ষ নিৰ্বাচন প্ৰক্ৰিয়া সুনিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ভুৱা তথ্যৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়া বিঘ্নিত কৰাৰ যিকোনো চেষ্টাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে।

ooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সিদ্ধিদাতা গণেশৰ পূজা-অৰ্চনা কৰা হৈছে। গুৱাহাটী মহানগৰীৰ খানাপাৰা, গণেশগুৰি, লতাশিলৰ গণেশ মন্দিৰৰ উপৰি আগিয়াঠুৰিৰ গণেশ মন্দিৰতো বহু লোকে গণেশ দেৱতাৰ পূজা কৰিছে। গুৱাহাটী মহানগৰীত মন্দিৰসমূহত পুৱাৰেপৰা ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে।

ইপিনে, কাইলৈ বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্ততো এই পূজাৰ আয়োজন কৰা হৈছে। মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰাৰ বাবে প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে বজাৰ ভৰি পৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূবত সৰস্বতী পূজাৰ বাবে আজিৰে পৰাই উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাতো সৰস্বতী পূজাৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। খনিকৰ তথা মৃৎশিল্পীসকলে দেৱীৰ প্ৰতিমাত শেষ পৰশ দিছে। বিশ্বনাথ জিলাতো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাক লৈ আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

ooooooo

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচ-কাৱাজৰ অনুশীলন কৰি থকা হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰিকান্দি গাঁৱৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্প এইবাৰ নতুন দিল্লীত কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচ-কাৱাজত প্ৰদৰ্শন কৰা হ'ব। ময়ুৰপংখীৰূপত এই শিল্প আটকধুনীয়াকৈ প্ৰদৰ্শন কৰা হ'ব। ইয়াকে লৈ জিলাখনৰ পোৰামাটিৰ শিল্পীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

গণৰাজ্য দিৱসলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত দক্ষিণ শালমাৰা মানকাচৰ জিলাতো প্ৰস্তুতি চলিছে। জিলা প্ৰশাসনৰ উদ্যোগত হাটশিঙিমাৰী মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে দিৱস

উদযাপন কৰা হ’ব। এই উপলক্ষে অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, এন চি চি আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে কুচকাৱাজৰ অনুশীলন চলাই আছে।

0000000

দুলীয়াজান ৰে’ল ষ্টেচনৰ সমীপত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজে আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে ডিব্ৰুগড়ৰ পৰা দুলীয়াজান অভিমুখে গৈ থকা এখন টেংকাৰে বিপৰীত দিশৰ পৰা অহা এখন মটৰ চাইকেলক খুন্দা মৰাৰ ফলত মটৰ চাইকেল আৰোহীজনৰ থিতাতে মৃত্যু হয়। ঘটনাৰ পাছতে টেংকাৰখনৰ চালকজনে পলায়ন কৰে। ইয়াৰ পাছতে স্থানীয় লোকে পথ অৱৰোধ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। দুলীয়াজান আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

0000000

**সমাপ্ত**